# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হৈছে। এদিনৰ বিৰতিৰ মূৰত আজি অনুষ্ঠিত দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ আৰম্ভণিতে বিৰোধী পক্ষৰ কেইবাগৰাকীও সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ, ডিটেনছন শিবিৰ আদি বিভিন্ন প্ৰসংগ উত্থাপন কৰিবলৈ চেষ্টা কৰে। অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে সদস্যসকলৰ দাবীৰ প্ৰতি কৰ্ণপাত নকৰি প্ৰশ্নোত্তৰ কাল চলাই নিয়ে। প্ৰশ্নোত্তৰ কালত বিৰোধী সদস্যসকলে একেকেইটা বিষয়ক লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ বাবে দাবী জনায়। অধ্যক্ষই সদনৰ কাৰ্য পৰিচালনাৰ আন বিধিৰ অধীনত বিষয়সমূহ আলোচনা কৰিব পৰা যায় বুলি সদস্যসকলক বুজাবলৈ চেষ্টা কৰে যদিও সদনত হুলস্থূলীয়া পৰিবেশ অব্যাহত থাকে। বিৰোধী পক্ষৰ কেইবাগৰাকী সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফা, ডিটেনছন শিবিৰ সন্দৰ্ভত আলোচনাৰ দাবী জনাই সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্ণা দিবলৈ ধৰে। ইয়াৰ বিপৰীতে শাসকীয় পক্ষৰ সদস্যসকলেও অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰি সম্পৰ্কে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনক লৈ আলোচনাৰ দাবীত ধৰ্ণা দিয়ে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ বাবে অধ্যক্ষই তিনিবাৰকৈ সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখিবলৈ বাধ্য হয়। তিনিবাৰকৈ কাম-কাজ স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধায়কসকলে উত্থাপন কৰা বিষয়সমূহক আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সাজু বুলি ঘোষণা কৰে আৰু সেই সময়ত অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নুমল মমিনক আলোচনাৰ দিন নিৰ্ধাৰণ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছত সদনৰ পৰিস্থিতি শান্ত হয় আৰু স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ হয়।

০০০০০

ৰাজ্য চৰকাৰে মিচিং, ৰাভা, কাৰ্বি, তিৱা, ডিমাছা আৰু দেউৰী ভাষাক জনগোষ্ঠীকেইটাৰ বসতিপ্ৰধান অঞ্চলসমূহত বুনিয়াদী শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনৰ স্থানীয় ভাষাৰ সংৰক্ষণৰ ক্ষেত্ৰত এয়া ৰাজ্য চৰকাৰৰ উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে আজি এই বিষয়ে অধিসূচনা জাৰি কৰে। বিদ্যালয় শিক্ষা বিভাগৰ অধীনৰ নিম্ন প্ৰাথমিক পৰ্যায়ৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ এই ভাষাসমূহক মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাৰ সুবিধা প্ৰদানৰ বাবে ২০২৫-২৬ শিক্ষাবৰ্ষত বিদ্যালয়সমূহ বাছনি কৰা হৈছে। এই অনুসৰি মিচিং ভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰচলন কৰাৰ বাবে ২০০খন বিদ্যালয় বাছনি কৰা হৈছে। এই বিদ্যালয়সমূহত শিক্ষা দানৰ বাবে মিচিং, অসমীয়া আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰা হ'ব। উচ্চ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়তো মিচিং জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃভাষাক ঐচ্ছিক বিষয় হিচাপে লৈ অধ্যয়ন কৰিব পাৰিব।

০০০০০

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত পৰ্যটন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি গুৱাহাটীৰ ৩৭ খন হোটেলৰ পৰিচালন সঞ্চালক আৰু প্ৰবন্ধক সকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই শীৰ্ষ সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে তেওঁলোকৰ সহযোগিতা কামনা কৰে। এই আলোচনাত অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ কুমাৰ দাসকে ধৰি বিভাগটোৰ কেইবাগৰাকী বিষয়াই ভাগ লয়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি জিলা প্ৰশাসন আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অনুসূচীত জনজাতীয় লোকৰ অধিকাৰ আৰু সুৰক্ষা আইন সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব জয়ন্ত কুমাৰ শইকীয়াই হাজং, কোচ আৰু গাৰো জনজাতীয় লোকসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ উদ্বোধনী খেলত আজি যোৱাবাৰৰ বিজয়ী পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পাকিস্তানৰ কৰাচীত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি এই বাতৰি যুগুতোৱাৰ পৰলৈ ৩৫ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৭২ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

এই প্ৰতিযোগিতাত বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেশে অংশ ল'ব। প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৯ মাৰ্চত খেলোৱা হ'ব। ২০১৭ চনত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ শেহতীয়া সংস্কৰণত পাকিস্তানে ভাৰতক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত